بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**মক্কা বিজয় অভিযানৰ প্ৰেক্ষাপটত আঁহজৰত (ছাঃ)ৰ জীৱনীৰ ঈমান উদ্দীপক বৰ্ণনা তথা ব্ৰিটেইনৰ বাৰ্ষিক জলছা সফল হোৱাৰ বাবে দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৮ জুলাই ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللهِ مِنَ الشَّيْطَانِ الرَّجِيمِ. بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ. اَلۡحَمۡدُ لِلّٰہِ رَبِّ الۡعٰلَمِیۡنَ. الرَّحۡمٰنِ الرَّحِیۡمِ. مٰلِکِ یَوۡمِ الدِّیۡنِ. اِیَّاکَ نَعۡبُدُ وَ اِیَّاکَ نَسۡتَعِیۡنُ. اِہۡدِنَا الصِّرَاطَ الۡمُسۡتَقِیۡمَ. صِرَاطَ الَّذِیۡنَ اَنۡعَمۡتَ عَلَیۡہِمۡ ۬ۙ غَیۡرِ الۡمَغۡضُوۡبِ عَلَیۡہِمۡ وَ لَا الضَّآلِّیۡنَ.

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, আজিও মক্কা বিজয়ৰ ঘটনা সমূহৰ বিস্তাৰিত ভাৱে ব্যাখ্যা কৰিম। তেখেত (ছাঃ) মক্কাত অৱস্থান কৰা সন্দৰ্ভত মতানৈক্য আছে। বুখাৰীৰ বৰ্ণনা অনুযায়ী তেখেত (ছাঃ)য়ে ১৯ দিন মক্কাত অৱস্থান কৰিছিল তেতিয়ালৈকে তেখেত (ছাঃ)য়ে দুই ৰাকাত নামাজ পঢ়িছে অৰ্থাৎ নামাজ কাচৰ কৰি থাকিছিল। কিছুমান বৰ্ণনা ১৫, বা ১৭,১৮ দিন অৱস্থান কৰাৰ উল্লেখ পোৱা যায়। কিছুমান প্ৰাচ্যবিদসকলে মক্কা বিজয় সন্দৰ্ভত নিজৰ পুস্তকসমূহত উল্লেখ কৰিছে। উদাহৰণ স্বৰূপ, উইলিয়াম মিয়ুৰ এজন বিখ্যাত প্ৰাচ্যবিদ; তেওঁ আছিল স্কাটলেণ্ডৰ। তেওঁ মক্কা বিজয়ৰ কথা উল্লেখ কৰি নিজৰ কিতাপ লাইফ অফ মহম্মদ (ছাঃ)ত লিখিছে যে মহম্মদ (ছাঃ)য়ে অতীতৰ সকলোবোৰ পুৰণি ভুলক ক্ষমা কৰা আৰু সকলোবোৰ কষ্টক আওকাণ কৰা, দৰচলতে তেখেত (ছাঃ)ৰ নিজৰ উপকাৰৰ বাবে আছিল কিন্তু এনেকুৱা কাম এজন কোমল হৃদয়ৰ মানৱেহে কৰিব পাৰে।

এইদৰে উইলিয়াম মেণ্টাগমৰি যিজন স্কাট প্ৰাচ্যবিদ আছিল। তেওঁ ইছলাম আৰু নবী কৰিম (ছাঃ)ৰ বিৰুদ্ধে কঠোৰ ভাষা প্ৰয়োগ কৰিছে, তেওঁ কয় যে মক্কাৰ সমৃদ্ধিশালী লোকক মুছলমান হোৱাৰ বাবে বাধ্য কৰা নাছিল, যাৰ ফলত এই মুখিয়ালসকল আৰু আন আন বহু লোক কাফিৰৰ ওপৰতেই স্থিৰ

থাকিল। তেখেতৰ নেতৃত্বত যি দক্ষতাৰে সকলো জনসাধাৰণক একত্রিত কৰিছে তেওঁলোকৰ সৈতে ন্যায্য ব্যৱহাৰ কৰা হৈছে, সেই দক্ষতাই ইছলামিক সমাজলৈ সম্প্রীতি, শান্তি আৰু উৎসাহ কঢ়িয়াই আনিছে।

আকৌ এজন প্রাচ্যবিদ আৰথৰ গিলমিন, তেওঁ আছিল আমেৰিকাৰ। তেওঁ কৈছে যে তেখেত (ছাঃ)ৰ এই কথা প্রশংসাৰ যোগ্য যে মক্কাৰ বাসিন্দা সকলৰ অত্যাচাৰে তেখেতক প্রতিশোধ লোৱাৰ বাবে উচটনি দিব পাৰিলেহেঁতেন, কিন্তু তেখেতে নিজৰ সেনাসকলক তেজ বোৱাবলৈ নিষেধ কৰিলে আৰু বিনম্রতাৰ সৈতে খোদাৰ ধন্যবাদ প্রকাশ কৰিলে। আকৌ লিখিছে যে দহ বা বাৰ জন লোক যিসকলে আগতে বিভিন্ন সময়ত পশুসূলভ আচৰণ কৰিছিল তেওঁলোকক শাস্তি দিয়াৰ নির্দেশ হৈছিল, তেওঁলোকৰ মাজৰ চাৰিজনক হত্যা কৰিবলৈ আদেশ দিয়া হৈছিল। কিন্তু এই আচৰণক আন আন বিজয়ীসকলৰ আচৰণৰ তুলনাত অতি মানৱীয় বুলি গণ্য কৰা উচিত। লিখিছে যে ক্রুছুৰ অত্যাচাৰীৰ তুলনাত যিসকলে ১০৯৯ চনত সত্তৰ হাজাৰ মুছলমান পুৰুষ, মহিলা আৰু অসহায় শিশুক সেই সময়ত হত্যা কৰা হৈছিল যেতিয়া জেৰুজালেম তেওঁলোকৰ অধীন হৈছিল বা ইংৰাজ সেনাৰ বর্বৰতাৰ মোকাবিলাত ক্রুছৰ ছাঁৰ অধীনত যুঁজি আছিল। তেওঁলোকে ১৮৭৪ চনত স্মৰণীয় বছৰত যুদ্ধৰ সময়ত আফ্রিকাৰ গোলকোষ্ট (ঘানা)ৰ ৰাজধানীক জ্বলাই দিছিল। মহম্মদ (ছাঃ)ৰ বিজয় প্রকৃততে ধর্মীয় বিজয় আছিল, ৰাজনৈতিক নাছিল। তেখেত ব্যক্তিগত সন্মানৰ সকলো কথা নাকচ কৰিছিল আৰু ৰাজকীয় আধিপত্যৰ সকলো পদ্ধতি পৰিহাৰ কৰিছিল। যেতিয়া মক্কাৰ সকলো অহংকাৰী মুখিয়ালসকলক তেখেতৰ সন্মুখত অনা হ'ল তেতিয়া তেখেতে তেওঁলোকক সুধে যে আপোনালোকে মোৰ পৰা আজি কি আশা কৰিছে ? তেওঁলোকে কয়, হে আমাৰ দয়ালু ভাতৃ, দয়াৰ আশা কৰিছো। তেতিয়া আঁহজৰত (ছাঃ)য়ে কয় যে তেন্তে তেনেকুৱাই হওঁক, যোৱা তোমালোক সকলোৱে স্বাধীন।

এগৰাকী প্রাচ্যবিদ মহিলা ৰোথক্রিস্টন তাই আমেৰিকাৰ বাসিন্দা আছিল। তাই লিখিছে যে ৬৩০ খ্রীষ্টাব্দৰ প্রাৰম্ভিক সময়ত এদিনাখন লোকসকলে দহ বছৰ আগতে যাক শিলগুটিৰে আঘাত কৰিছিল আৰু উপহাস কৰিছিল, সেই মানুহজনে এতিয়া নিজৰ দহ হাজাৰ অভিজ্ঞ সৈনিকৰ সৈতে চহৰখনত প্রৱেশ কৰিছে। মহম্মদ (ছাঃ)য়ে এই আদেশ দিছিল যে কাকো হত্যা নকৰিবা, সকলোৱে সৈতে দয়া আৰু সদ্ভাৱনাৰ আচৰণ কৰা উচিত।

কেৰেণ আর্মষ্ট্রং এগৰাকী ভাল ব্রিটিছ প্রাচ্যবিদ, সাধাৰণতে এগৰাকী অতি ন্যায়পৰায়ণ লেখিকা, তাই নিজৰ কিতাপত লিখিছে যে তেখেত (ছাঃ)য়ে হত্যাৰ প্রতিশোধ লোৱাৰ ইচ্ছা নাছিল, কাকো ইছলাম গ্রহণ কৰাৰ বাবে বাধ্য কৰা নাছিল, আৰু কাৰো ওপৰত কোনো ধৰণৰ হেঁচাও দিয়া যেন নালাগে। মহম্মদ (ছাঃ)য়ে কুৰাইছসকলক অত্যাচাৰৰ বলি বনোৱাৰ বাবে মক্কাত আগমন হোৱা নাছিল, বৰঞ্চ বিফল কৰা ধর্মক শেষ কৰিবলৈ আগমন কৰিছিল। মক্কা বিজয়ৰ জৰিয়তে তেখেত (ছাঃ)য়ে নবুয়তৰ দাবীক সত্য প্রমাণ কৰি দেখুৱালে। এই বিজয় বিনা কোনো ৰক্তাত্ব অর্জন হৈছিল আৰু মুছলমান সকলৰ শান্তিপূর্ণ নীতিৰে সফল হয়। কেইবা বছৰমানৰ ভিতৰতে মক্কাত মূর্তি পূজাৰ অন্ত পৰিল, আকৰামা আৰু ছুহেলৰ নিচিনা কঠোৰ শত্রু উৎসাহৰ সৈতে নিষ্ঠাবান মুছলমান হৈ পৰিল।

মক্কা বিজয়ৰ বিৰৰণত আব্দুল্লাহ বিন আবি ছাৰাহ ইছলাম গ্ৰহণ কৰাৰ বৰ্ণনা পোৱা যায়। এইজন ব্যক্তি প্ৰথমে মুছলমান আছিল, ওহীৰ লিখক আছিল। কিন্তু তেওঁ উজুটি খাই ধৰ্মত্যাগী হৈ মক্কালৈ গুচি যায়। মক্কা বিজয়ৰ সময়ত যিসকলক হত্যা কৰাৰ আদেশ হৈছিল তাৰ মাজত আব্দুল্লাহ বিন আবি ছাৰাহৰ নামো আছিল। হজৰত উছমান (ৰাঃ)য়ে তেওঁক নিৰাপত্তা দিছিল আৰু তেখেত (ৰাঃ)ৰ ঘৰতে লুকাই আছিল। এদিনাখন যেতিয়া তেখেত (ছাঃ)য়ে বয়াত লৈ আছিল সেই দিনাখন হজৰত উছমান (ৰাঃ)য়ে তেওঁক লগত লৈ আহিছিল। আঁহজৰত (ছাঃ)য়ে কিছু সময় দ্বিধাবোধ কৰি আছিল তাৰ পিছত তেওঁৰ বয়াত গ্ৰহণ কৰিছিল। পিছত গৈ তেওঁ ইজিপ্তৰ গৱৰ্ণৰ হৈ আফ্ৰিকাৰ এটা অঞ্চল জয় কৰিছিল। তেওঁ হজৰত উছমানৰ পোষক ভাতৃ আছিল যদিও শ্বহীদ হোৱাৰ পিছত তেওঁ দেশদ্ৰোহৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল। উল্লেখ পোৱা যায় যে তেওঁ দোৱা কৰিছিল যে তেওঁৰ শেষ কৰ্ম যেন নামাজ হয়, সেয়ে এদিনাখন ফজৰৰ নামাজৰ সময়ত ছালাম দিয়াৰ সময়ত তেওঁৰ মৃত্যু ঘটে।

আকৰামা বিন আবু জেহেলৰ দৃঢ় বিশ্বাস আছিল যে তেওঁক নিশ্চয় শাস্তি দিয়া হ'ব। সেই কাৰণে তেওঁ সমুদ্ৰৰ বাট ধৰি ইয়ামনলৈ যোৱাৰ সিদ্ধান্ত লয়। তেওঁৰ পত্নী উম্মুল হাকিমে ইছলাম গ্ৰহণ কৰিছিল। তেওঁ নবী কৰিম (ছাঃ)ৰ সেৱাত উপস্থিত হৈ কয় যে আকৰামাই ভয় কৰি আছে যে আপুনি তেওঁক হত্যা কৰি পেলাব, আপুনি তেওঁক নিৰাপত্তা প্ৰদান কৰক। তেখেত (ছাঃ)য়ে কয় যে তেওঁ নিৰাপদ। ইয়াৰ পিছত আকৰামাৰ স্ত্ৰীয়ে তেওঁৰ ওচৰলৈ গৈ কয় যে মই তোমাৰ ওচৰত সেই ব্যক্তিৰ ফালৰ পৰা আহিছো যিজন অতি সহনশীল, আটাইতকৈ গুণী আৰু আটাইতকৈ শুভাকাংক্ষী। গতিকে তুমি নিজকে বিপদত নেপেলাবা কাৰণ মই তোমাৰ কাৰণে নিৰাপত্তা বিচাৰিছো, ইয়াৰ পিছত আকৰামা উভতি আহি ইছলাম গ্ৰহণ কৰে।

যিসকল লোকৰ বাবে হত্যাৰ আদেশ জাৰি হৈছিল, ইয়াৰ মাজত তেওঁয়ো আছিল যিয়ে আঁহজৰত (ছাঃ)ৰ ছোৱালী হজৰত জয়নব (ৰাঃ) ৰ মৃত্যুৰ কাৰণ হৈছিল। এই মানুহজনে হজৰত জয়নব (ৰাঃ)ৰ উটৰ ফিতাডাল কাটি পেলাইছিল যিটো বান্ধিবলৈ ব্যৱহাৰ কৰা হৈছিল যাৰ ফলতে তাই উটৰ পৰা পৰি গৈছিল আৰু তাইৰ গৰ্ভ নষ্ট হৈ গৈছিল, ইয়াৰ কিছু সময় পিছত তাই শ্বহীদ বৰণ কৰে। এই ব্যক্তিজনে মক্কাৰ পৰা পলায়ন কৰি ইৰাণলৈ গৈছিল, ইয়াৰ পিছত তেখেত (ছাঃ)ৰ ওচৰত আহি উপস্থিত হয় আৰু ক্ষমা বিচাৰে , আঁহজৰত (ছাঃ)য়ে তেওঁকো ক্ষমা কৰি দিয়ে।

এইদৰে কাআব বিন জুহেৰৰ ইছলাম গ্ৰহণ কৰাৰ ঘটনা উল্লেখ পোৱা যায়। এই ব্যক্তিও আঁহজৰত (ছাঃ)ৰ কঠোৰ শত্ৰু আছিল। কবি আছিল; নিজৰ কবিতাৰে ইছলাম আৰু আঁহজৰত (ছাঃ)ৰ বিপক্ষে অপপ্ৰচাৰ কৰিছিল। তেওঁ আঁহজৰত (ছাঃ)ৰ ওচৰত উপস্থিত হৈ নিজৰ পৰিচয় নিদি কাআব বিন জুহেৰৰ বাবে ক্ষমা বিচাৰে। তেখেত (ছাঃ)য়ে যেতিয়া ক্ষমা কৰি দিয়ে তেতিয়া তেওঁ কয় যে কাআব মইয়ে হওঁ। আঁহজৰত (ছাঃ)য়ে তেওঁক ক্ষমা কৰি দিয়ে। কাআবে তেখেত (ছাঃ)ৰ সন্মুখত এটা সুন্দৰ কবিতা উত্থাপন কৰে, তেখেত (ছাঃ)য়ে তেওঁক নিজৰ চাদৰ দি দিয়ে; সেই কাৰণে এই কবিতাক বুৰদা বুলি কোৱা হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইতিহাসত ইমাম বুছিৰীৰ কবিতাকো বুৰদা কবিতা বুলি

কোৰা হয়। ইয়াক বুৰদা কবিতা এই কাৰণেই কোৰা হয় যে যেতিয়া তেওঁ নবী কৰিম (ছাঃ)ৰ সন্মানৰ প্ৰদৰ্শন কৰি কবিতা লিখিলে তেতিয়া তেওঁ সপোনত নবী কৰিম (ছাঃ)য়ে নিজৰ চাদৰখন তেওঁক দিয়ে, তেওঁ সাৰ পোৱাৰ পিছতো সেই চাদৰখন তেওঁৰ কান্ধত আছিল। কোৱা হয় যে ইমাম বুচৰী পক্ষাঘাত ৰোগত আক্ৰান্ত আছিল, তেখেত (ছাঃ)ৰ চাদৰৰ কল্যাণত সুস্থ হৈ পৰিছিল। এইটো আছিল এটা কাহিনী যাক বৰ্ণনা কৰা হৈ থাকে এনেকুৱা কাহিনীও আহিয়ে থাকে।

হুজুৰ আনোৱাৰে কয় যে কিছুমান ইছলামৰ কঠোৰ শত্ৰুৰ ইছলাম গ্ৰহণ কৰাৰ উল্লেখ পোৱা যায়, কেনেকৈ তেওঁলোকক ক্ষমা কৰা হৈছিল, এই বিষয়ে পিছত বৰ্ণনা কৰিম।

শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে অহা জুমাৰ পৰা ইনশা আল্লাহ জামাত আহমদীয়া ব্ৰিটেইনৰ বাৰ্ষিক জলছা আৰম্ভ হ'ব। সেই কাৰণে এই জলছা সফল হোৱাৰ বাবে আল্লাহ তা'লাৰ কৃপা বৰ্ষিত হোৱাৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা সকলো দুষ্ট আৰু ক্ষতি আৰু লোকচান কৰা সকলৰ পৰিকল্পনাৰ দুষ্টতাৰ পৰা ৰক্ষা কৰক। যিসকল অতিথি বহিঃৰাষ্ট্ৰৰ পৰা আহি আছে আল্লাহ তা'লা তেওঁলোকক নিৰাপদে লৈ আহক লগতে ইয়াতেও যেন নিৰাপদে অৱস্থান কৰিব পাৰে। আমীন-

যিসকলে ব্যক্তিগত বাবে জলছাত আহি আছে বা  জামাতী ব্যৱস্থাপনাৰ অধীনত আহি আছে, আতিথ্যৰ বিভাগৰ অধীনত তেওঁলোকৰ ব্যৱস্থা লোৱা হ'ব। আল্লাহ তা'লা প্ৰতিজন আতিথ্যক এই অতিথি সকলৰ শুশ্ৰূষা কৰাৰ সৌভাগ্য দান কৰক। আমীন-

স্বেচ্ছাসেৱক সকলে অতি উৎসাহ আৰু আবেগেৰে নিজৰ কৰ্তব্যৰ বাবে নিজকে আগবঢ়াই দিয়ে, আল্লাহ তা'লা এই সকলো কৰ্মকৰ্তাক পৰম শ্ৰদ্ধা, সদয় আৰু উল্লাসেৰে সেৱা আগবঢ়োৱাৰ ক্ষমতা প্ৰদান কৰক। কেতিয়াবা অধিক কামৰ বাবে আৰু টোপনিৰ অভাৱৰ বাবে কিছুমান স্বেচ্ছাসেৱকৰ হাস্যমুখৰ ওপৰত প্ৰভাৱ পৰে, প্ৰতিজন স্বেচ্ছাসেৱকে এই দিনবোৰ এই কথা ভাৱি কটাব লাগিব যে আল্লাই আমাক প্ৰতিশ্ৰুত মছীহ মাওউদৰ অতিথিসকলক সেৱা কৰাৰ ক্ষমতা দিছে, গতিকে আমি ইয়াৰ বাবে প্ৰত্যেক ধৰণৰ ত্যাগ স্বীকাৰ কৰিবলৈ সাজু আছো আৰু সকলো পৰিস্থিতিতে আমাৰ মুখত হাঁহি বিৰিঙি থাকিব। স্বেচ্ছাসেৱক সকল বিষয়া হওঁক, সহায়ক হওঁক, ছোৱালী হওঁক, পুৰুষ হওঁক, যিকোনো বিভাগতেই নহওঁক কিয় সকলোৰে সদায় মুখত হাঁহি লৈ নিজৰ কাম সম্পাদন কৰা উচিত। আল্লাহ তা'লাই ইয়াৰ বাবে সৌভাগ্য দান কৰক। আমীন-

এনে সময়ত সকলোৰে ওপৰত চোকা দৃষ্টি ৰাখিব যাতে কোনোবাই বেয়া বিয়পাবলৈ সাহস নকৰে। আল্লাহ তা'লা সকলো স্বেচ্ছাসেৱকক উত্তম পদ্ধতিৰে সেৱা কৰাৰ সৌভাগ্য প্ৰদান কৰক আৰু তেওঁলোকে যেন আল্লাহ তা'লাৰ আশীৰ্বাদ লাভ কৰিব পাৰে।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................
..........................................................................................................................................
..........................................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB